# তেজপুৰৰ
# মুক্তি যুঁজৰ চমু বতৰা

শ্ৰীগহন চন্দ্ৰ গোস্বামী

তেজপুৰ জিলা যুৱক কংগ্ৰেছ
১৯৭৬ চন।

# তেজপুৰৰ
# মুক্তি যুঁজৰ চমু বতৰা

**(A short history of freedom movement of Tezpur.)**

শ্ৰীগহন চন্দ্ৰ গোস্বামী
সত্ৰাধিকাৰ,
নিকামুল সত্ৰ, তেজপুৰ ।

তেজপুৰ জিলা যুৱক কংগ্ৰেছ
অসম ।

*Tezpurar Mukti Jujar Samu Batara, a short history of freedom movement of Tezpur, Written by Shri Gohon Chandra Goswami & Publish by Shri Ganesh Kutum, General Secretary, Tezpur District Youth Congress on behalf of Tezpur District Youth Congress and Printed at Janata Press, Tezpur, Assam.*

প্ৰকাশক ঃ
তেজপুৰ যুৱক কংগ্ৰেছৰ হৈ
শ্ৰীগণেশ কুটুম
সাধাৰণ সম্পাদক,
তেজপুৰৰ, জিলা যুৱক কংগ্ৰেছ
নবেম্বৰ ১৯৭৬।

দাম ঃ ২·০০ টকা

ছপা ঃ
জনতা প্ৰেছ, তেজপুৰ।

নিকামূল সত্ৰ,
১৫ আগষ্ট, ১৭৭৬।

শ্ৰীমান গণেশ কুটুম,
সাধাৰণ সম্পাদক,
তেজপুৰ জিলা যুৱক কংগ্ৰেছ,
তেজপুৰ।

দেশৰ উঠি অহা নতুন পুৰুষ সকলে বিশেষকৈ তেজপুৰ জিলাৰ যুৱক সকলে দেশৰ স্বাধীনতা সংগ্ৰামত তেজপুৰীয়া ৰাইজে কেনেভাৱে অৰিহণা যোগাব পাৰিছিল, তাৰ এটি আভাস মাত্ৰ চিন স্বৰূপে "তেজপুৰৰ স্বাধীনতা যুঁজৰ চমু বতৰা" ভাগ বিহিত ব্যৱস্থাৰ বাবে জিলা যুৱক কংগ্ৰেছৰ কৰ্তৃপক্ষৰ সমীপলৈ আজিৰ এই ১৫ আগষ্ট স্বাধীনতা দিৱস উপলক্ষে আগবঢ়োৱা হ'ল।

শ্ৰদ্ধা গ্ৰহণ কৰা হয় যেন। ইতি--

ভৱদীয়--
শ্ৰীগহন চন্দ্ৰ গোস্বামী।

I am glad to learn that the youth leader Shri Ganesh Kutum, General Secretary, Tezpur District Youth Congress, has done a yeomen's service in publishing **"Tezpurar Mukti Jujar Samu Batara"**— a short history of frredom movement of Tezpur, written by Shri Gohon Chandra Goswami, Ex-M.L.A., Satradhikar, Nikamul Satra and a veteran freedom fighter, on behalf of the Tezpur District Youth Congress which needed most at this hour. There are very few authentic publications on the history of Congress movement. This book, I am sure will help our youths to know what actually happened in the crucial years of Independent movement.

I thank again Tezpur District Youth Congress for bringing out the book.

**Shri Sreekanta Sarmah,**
*President*,
District Congress Committee,
Tezpur, Assam,

Tezpur
13-11-76

## INTRODUCTION TO THE BOOK.

I was just born when India attained freedom. I was not a witness to any freedom movement of the country. But since my childhood it was an inspiration instilled in my core of heart to be a crushader against social injustices and evils. That is why from my school days upto the University Classes, I participated in students' organisations.

My Sub-Division, Tezpur produced a number of illustrious sons of the State who from the inception of Congress in Assam organised the Youths and Students to dedicate their lives for the cause of Independence. People will ever remember to those holy martyrs of Tezpur Sub-Division, highest in the State, who laid their lives at the alter of motherland.

A youth like me and many others had the opportunity to know and learn tales of the heroic battles of freedom in the State and the country. Only a few torch bearers of Independence struggles in Tezpur Sub-Division are alive from whom we can get detail information about political movement of the District. Out of them

most revered Shri Gohon Chandra Goswami, Satradhikar of Nikamul still stands as a beacon of light of inspiration to thousands of Youths of the district. Most respected Shri Goswami is a symbol of dedication and sacrifice and was awarded '*Tamra Patra*' by the Government and also is a recepient of award from '*Sangeet Natak Academy*' for his cultural activities.

While I was in Congress and Youth Congress workers' training camps and learned verious activities of our veteran leaders and workers, it struct my mind to collect materials for a compact history of Independence struggles of our District. Several of my comrades and congress leaders encouraged me in this venture and inspired by their well wishes I contacted Shri Gohon Chandra Goswami to write such history of political movement for publication and sale to Youths particularly to have a correct version of freedom movement.

Subsequently Tezpur District Youth Congress decided to publish this book considering that writings from Shri Gohon Chandra Goswami would certainly show to the youth a real way of life. Tezpur District Youth Congress is

indebted to Shri Gohon Chandra Goswami in writing this book **'Tezpurar Mukti Jujar Samu Batara'** (Short-history of freedom movement of Tezpur), taking much pains in at his old age.

I hope our young friends and countrymen will appreciate our humble attempt in bringing out this small book for the guidance of future generation. I also acknowledge with thanks to the management of Janata Press, Tezpur, for their sincere love for District Youth Congress and promptness in printing the book in a short time.

Thanking you all.

**Ganesh Kutum,**
*General Secretary,*
District Youth Congress, Tezpur
Assam.

Tezpur,
14.11.76.

# তেজপুৰৰ স্বাধীনতা যুঁজৰ চমু বতৰা

১৮৫৭ খৃষ্টাব্দৰ বিদ্ৰোহৰ সময়ৰ পৰাই অসমে ভাৰতীয় ৰাজনীতিৰ লগত সমানে খোজ মিলাই আহিছে। ১৮৮৫ চনত ৺আনন্দ মোহন বসুৰ সভাপতিত্বত অসমত বহা এখন ৰাজহুৱা সভাই এটি প্ৰস্তাৱৰ যোগে কংগ্ৰেছৰ উদ্দেশ্য সমৰ্থন কৰি বোম্বাইত বেৰিষ্টাৰ ৺উমেশচন্দ্ৰ বেনাৰ্জীৰ সভাপতিত্বত বহা কংগ্ৰেছৰ প্ৰথম অধিবেশনলৈ তাঁৰযোগে সেই প্ৰস্তাৱ পঠোৱা হৈছিল। আৰু ১৮৮৬ চনৰ কংগ্ৰেছৰ দ্বিতীয় অধিবেশনলৈ ৮ জন, আৰু ১৮৮৭ চনৰ মাদ্ৰাজত বহা তৃতীয় অধিবেশনলৈ যি তিনিজন প্ৰতিনিধি অসমৰ পৰা পঠোৱা হৈছিল, তাৰ ভিতৰত তেজপুৰৰ স্বনামধন্য ৺লক্ষ্মীনাথ বৰকাকতি অন্যতম।

১৯১৯ চনৰ পূজাৰ বন্ধত তেজপুৰত অসম ছাত্ৰ সন্মিলনৰ চতুৰ্থ বাৰ্ষিক অধিবেশন বিজ্ঞানাচাৰ্য্য চাৰ প্ৰফুল্লচন্দ্ৰ ৰায়দেৱৰ সভাপতিত্বত অতি সমাৰোহেৰে অনুষ্ঠিত হৈছিল। সদৌ অসমৰে ছাত্ৰ প্ৰতিনিধি সকল আহি এই সভাত যোগদান কৰিছিল। এই অধিবেশন অতি গুৰুত্বপূৰ্ণ আছিল। যুৱক ছাত্ৰ সমূহৰ সুশৃঙ্খলতাত মুগ্ধ হৈ সভাপতি বিজ্ঞানাচাৰ্য্যদেৱে কৈছিল, "এনে সুশৃঙ্খল আৰু কুশলতা কংগ্ৰেছৰ ৰভাৰ তলীত বাহিৰে মই আন ক'তো দেখা নাই।" ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাই প্ৰস্তাৱ গ্ৰহণ কৰাৰ পূৰ্বতে তেজপুৰত এই ছাত্ৰ সন্মিলনৰ অধিবেশনতে বিদেশী বস্ত্ৰ বৰ্জন, স্বদেশী বস্ত্ৰ প্ৰচলন

কৰাৰ প্ৰস্তাৱ গৃহীত হোৱাটো গৌৰৱপূৰ্ণ অধ্যায়। ইয়াৰ পিচৰ বছৰতে স্বৰ্গীয় প্ৰসন্নকুমাৰ বৰুৱাদেৱৰ সভাপতিত্বত তেজপুৰত আসাম এচোচিয়েশ্যনৰ বাৰ্ষিক অধিবেশন অনুষ্ঠিত হয়। ৺চন্দ্ৰকুমাৰ আগৰৱালা, দেশভক্ত ৺তৰুণৰাম ফুকন, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, ৺অম্বিকাগিৰি ৰায়চৌধুৰী প্ৰমুখ্যে অসমৰ নেতৃস্থানীয় লোকসকলে এই সভাত যোগদান কৰিছিল। সেই সময়ত দেশপ্ৰাণ ৺চন্দ্ৰনাথ শৰ্মাদেৱ এচোচিয়েশ্যনৰ সম্পাদকৰ দায়িত্বত আছিল। সভাত আলোচনাৰ মাজেদি অসহযোগ আন্দোলনক সমৰ্থনসূচক প্ৰস্তাৱ গৃহীত হয়, আৰু সাময়িকভাৱে এই অনুষ্ঠান স্থগিত ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। দুয়োখনি সভাৰ এই গুৰুত্বপূৰ্ণ সিদ্ধান্তই দেশৰ স্বাধীনতা সংগ্ৰামত আগ বাঢ়িবলৈ ইন্ধন যোগালে।

ইয়াৰ অলপ দিনৰ পিচতেই ৺হেমচন্দ্ৰ বৰুৱা, ৺অমিয় কুমাৰ দাস, ৺লক্ষ্মীধৰ শৰ্মা প্ৰমুখ্যে ছাত্ৰসকলে কলেজ এৰি আহি তেজপুৰত অসহযোগ আন্দোলনৰ প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰিলে। স্কুলীয়া ছাত্ৰসকলৰ ভিতৰত ৰূপকোঁৱৰ ৺জ্যোতি-প্ৰসাদ আগৰৱালাদেৱ আগৰণুৱা আছিল। দেশপ্ৰাণ ৺লক্ষ্মীধৰ শৰ্মাদেৱৰ আহ্বানত ৺আগৰৱালাদেৱকে মুখ্য কৰি বহুতো ছাত্ৰই স্কুল এৰি ওলাই আহি অসহযোগ আন্দোলনত যোগ দান কৰিলে। কৰ্মপ্ৰাণ ৺চন্দ্ৰনাথ শৰ্মাদেৱে জিলা আন্দোলনৰ গুৰীয়াল হৈ তেজপুৰৰ ইমূৰৰ পৰা সিমূৰলৈকে ঘূৰি জুইৰ ফিৰিঙতিৰ দৰে আন্দোলনক জ্বলাই তুলিলে, লগত ৺অমিয় কুমাৰ দাস, ৺হেমচন্দ্ৰ বৰুৱা, ৺লক্ষ্মীধৰ শৰ্মা আদিয়ে সহায়-কাৰী হিচাবে দক্ষতাৰে লাগি গ'ল। অতি কম সময়ৰ ভিতৰতে তেজপুৰ মহকুমাৰ সকলো ঠাইতে আন্দোলনৰ তীব্ৰতা গঢ়ি উঠিল। প্ৰতি মৌজাতে একোখনিকৈ কাৰ্য্যালয় স্থাপন কৰি একো একোজন সুদক্ষ কৰ্মীৰ দায়িত্বত সেই সেই অঞ্চলৰ

প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰা হ'ল। দেশ সেৱক ৺অমিয় কুমাৰ দাসদেৱে নিৰহ নিপানীকৈ আন্দোলন পৰিপাটি আৰু নিয়াৰীকৈ আগবঢ়াই নিবৰ কাৰণে গুৰি ধৰিলে। কৰ্মপ্ৰাণ ৺চন্দ্ৰনাথ শৰ্মাদেৱে অকল তেজপুৰতেই নহয়, অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে পচোৱাঁ বতাহৰ দৰে ঘূৰি সকলোৰে প্ৰাণত অসহযোগৰ বাঁ লগাই সকলোকে উত্ৰাৱল কৰি তুলিলে,—যাৰ ফলত, দেশভক্ত ৺তৰুণৰাম ফুকন, কৰ্মবীৰ ৺নবীনচন্দ্ৰ বৰদলৈ, আৰু দেশনেতা ৺কুলধৰ চলিহাদেৱে নিজৰ নিজৰ কৰ্ম থলীৰ পৰা আঁতৰি আহি সদৌ অসমৰে নেতৃত্ব গ্ৰহণ কৰিলে।

মহাত্মা গান্ধী অসম ভ্ৰমণৰ বাবে ১৯২১ চনৰ ১৮ আগষ্ট তাৰিখে গুৱাহাটী পাবহি বুলি বাতৰি আহিল, আৰু ২১ আগষ্ট তাৰিখে তেজপুৰতো পদাৰ্পণ কৰিব বুলিও বাতৰি পোৱা গ'ল। গুৱাহাটীৰ পৰা ১২ জন মান উপযুক্ত স্বেচ্ছাসেৱক বিচৰাত ৺লক্ষ্মীধৰ শৰ্মাদেৱৰ নেতৃত্বত ১২ জন স্বেচ্ছাসেৱক পঠোৱা হ'ল। আৰু ৺কালীপ্ৰসাদ বৰাৰ নেতৃত্বত এদল কৰ্মীয়ে হাতত পতাকা লৈ শিঙা-শঙ্খ বজাই খোজকাঢ়ি গুৱাহাটীলৈ ৰাওণা হ'ল। ইতিমধ্যে বিজুলী সঞ্চাৰে মহাত্মাৰ আগমনৰ বাতৰি গোটেই মহকুমাতে বিয়পি পৰিল। বিভিন্ন ঠাইত থকা কৰ্মীসকলক তেজপুৰলৈ আহিবলৈ মাতি পঠোৱা হ'ল। মহাত্মাক দৰ্শন পাবলৈ সকলো ঠাইৰ কৰ্মী সকল আৰু ৰাইজ যি যেনেকৈ পাৰে তেজপুৰলৈ ঢপলীয়াই আহিল। বাগিচাৰ বনুৱা, কৰ্মচাৰী আৰু ডফলা ভাই সকলো অঙ্কলা ভাঙি আহিল। সেই নিৰ্দ্ধাৰিত ২১ আগষ্ট তাৰিখে পুৱা জাহাজেৰে আহি মহাত্মা গান্ধীয়ে তেজপুৰত পদাৰ্পণ কৰিলেহি। লগত যমুনা দাস গান্ধী, প্ৰভুদাস গান্ধী, কৃষ্ণদাস, মৌলানা মহম্মদ আলি, আব্দুল হায়াট, মৌলানা আজাদ দোভালি, যমুনালাল বাজাজ, হীৰো আৰু অসমৰ দেশভক্ত ৺তৰুণৰাম ফুকন প্ৰমুখ্যে কেইগৰাকীমান

আহিছিল। তেজপুৰ জাহাজঘাট লোকে লোকাৰণ্য, বিৰদি বাট পাবলৈ নাই। ২১ আৰু ২২ এই দুয়ো তাৰিখতে ৰাজহুৱা সভা হৈছিল, এই সভা পল’ফিল্ডত আয়োজন কৰা হৈছিল। এই সভাত ২০ হাজাৰ মান লোকৰ সমাগম হৈছিল বুলি অনুমান কৰা হৈছিল। মহাত্মাই তেখেতৰ ভাষণ হিন্দীত দিছিল, আৰু ৺তৰুণৰাম ফুকনদেৱে অসমীয়াতে ভাঙনি কৰি ৰাইজক বুজাই কৈ গৈছিল। এই ভাঙনি ইমান সুঁৱদি আৰু মনোগ্ৰাহী হৈছিল যে ভাষণ শুনি সমবেত ৰাইজ মন্ত্ৰমুগ্ধ হোৱাৰ দৰে হৈছিল। বিলাতী কাপোৰ বস্ত্ৰ-যজ্ঞত আহুতি দান কৰিবলৈ মহাত্মাই আহ্বান জনোৱাৰ লগে লগে ৰাইজৰ ফালৰ পৰা যাৰ গাত যি দিব পৰা তেনে বিলাতী কাপোৰ আছিল, সকলোখিনি অগ্নিত আহুতি দান কৰা হ’ল; আনকি কেগৰাকীমানে নিজৰ পিন্ধা চোলা, কাপেৰো অগ্নিত জাপি দি “মহাত্মা গান্ধী কি জয়” ধ্বনি উচ্চাৰণ কৰি উদং গাৰেই ঘৰমুৱা হোৱা দেখা গৈছিল। এই সভাত জিলাৰ পুলিচ চাহাবকে ধৰি কেগৰাকীমান ইংৰাজ লোকো উপস্থিত আছিল। সুশৃঙ্খলভাৱে সভাৰ কাৰ্য্য সম্পাদন কৰাত স্বেচ্ছাসেৱক সকলে যি নিষ্ঠা আৰু দক্ষতা দেখুৱালে সেয়া স্মৰণীয় হৈ থাকিব। মহান উদ্যমৰ মাজেদি ২২ আগষ্ট তাৰিখে ৰাতি ১১ মান বজাত স্পেচিয়েল জাহাজেৰে মহাত্মাজী সদলবলে শিলঘাটেদি নগাঁৱলৈ যাত্ৰা কৰিলে।

ইয়াৰ পিচত সকলো কৰ্মী নিজ নিজ কৰ্মথলীলৈ গৈ পূৰ্ণদ্যোমে কামত আত্মনিয়োগ কৰিলে। এইবাৰ যঁতৰত সূতা কটাৰ ওপৰত বেছি জোৰ দিয়া হৈছিল। বিদেশী বস্তু বৰ্জন, কানি, ভাং, মদ পৰিহাৰ কৰিবলৈ প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰা হ’ল, আৰু জিলাৰ বিভিন্ন ঠাইৰ দোকানত পিকেটিং কৰোৱাৰ ব্যৱস্থাও গঢ়ি উঠিল। কানি আৰু মদৰ দোকানত পিকেটিং

কৰোঁতে কানীয়া আৰু মদপীৰ হাতত স্বেচ্ছা-সেৱক সকলে মাৰ-ধৰ খোৱা কথা অলেখ। চৰকাৰৰ ফালৰ পৰাও ভীষণ মূৰ্তি ধাৰণ কৰি লৈ পিকেটিং কৰা স্বেচ্ছা-সেৱক সকলৰ ওপৰত নানা অত্যাচাৰ আৰম্ভ কৰিলে, বহুতক গ্ৰেপ্তাৰ কৰি হাতত লোহাৰ হাত কৰেয়া লগাই ৰছিৰে গৰু-ম'হ যোটাদি যুটি লৈ লৈ অহা হৈছিল। গুৰ্খা পল্টনৰ দ্বাৰায় বিভিন্ন মৌজাৰ কংগ্ৰেছ কাৰ্য্যালয়বোৰ কাটি-ভাঙ্গি চুৰমাৰ কৰা হ'ল; গাঁৱলীয়া ৰাইজৰ ওপৰতো অত্যাচাৰ চলিল। ৺হেমচন্দ্ৰ বৰুৱা, ৺চন্দ্ৰনাথ শৰ্মা, ৺লক্ষ্মীধৰ শৰ্মা, ৺দক্ষৰাম বৰুৱা গ্ৰেপ্তাৰ হ'ল। গাঁৱৰ অঞ্চলত কাম কৰি থকা ৺কুমুদ চন্দ্ৰ শৰ্মা, ৺তিলক চন্দ্ৰ শৰ্মা, শ্ৰীবগীৰাম শইকীয়া, শ্ৰীছবিলাল উপাধ্যায়, ৺গঙ্গানাথ বৰকটকী, ৺ৰুদ্ৰকান্ত শৰ্মা, ৺লোকনাথ গোস্বামী, শ্ৰীকীৰ্তিনাথ ভট্টাচাৰ্য্য, শ্ৰীৰামাকান্ত শৰ্মা, ৺নিত্যানন্দ বৰদলৈ, ৺জয়ৰাম শইকীয়া, ৺মোহনচন্দ্ৰ শৰ্মা প্ৰমুখ্যে বহুতো কৰ্মী গ্ৰেপ্তাৰ হৈ আহিল। আনকি বালিপাৰাৰ পৰা কেইবাজনো ডফলা ভাইটিহঁত গ্ৰেপ্তাৰ হৈ আহিল। আদালতত বিচাৰ কৰি সকলোকে বিভিন্ন ধৰণে কাৰাদণ্ড বিহা হ'ল। একমাত্ৰ ৺অমিয় কুমাৰ দাসদেৱে জিলাৰ গুৰি ধৰি থাকিল।

১৯৩০ চনত মহাত্মা গান্ধীয়ে লোণ আইন ভঙ্গ কৰি সত্যাগ্ৰহ আৰম্ভ কৰিবলৈ ঘোষণা দিয়াত সদৌ ভাৰততে ৰণ শিঙা বাজি উঠিল। মহাত্মাৰ এই দাণ্ডি যাত্ৰাত যোগ দিবলৈ বুলি গুৱাহাটীৰপৰা ৺লীলাধৰ বৰুৱা, আৰু তেজপুৰৰ পৰা শ্ৰীকীৰ্তিনাথ ভট্টাচাৰ্য্য গুজৰাট পালেগৈ। ৺মহাদেৱ দেশায়ে নিজৰ ঠাইত কাম কৰিবলৈ ঘূৰাই পঠোৱাত তেখেতসকল ঘূৰি আহি নিজ ঠাই পালেহি। ৺বৰুৱা গুৱাহাটীৰ পৰা আহি তেজপুৰ পোৱাৰ দিনাই তেজপুৰৰ চৰকাৰী হাইস্কুলৰ ছাত্ৰসকলে স্কুল বৰ্জন কৰি ওলাই আহি কোলপাৰ্কত সমবেত হৈ শোভাযাত্ৰা

আৰম্ভ কৰিলে। স্কুল বৰ্জন কৰি ওলাই অহা সকলৰ ভিতৰত ৺উপেন নবীছ, ৺বিষ্ণুপ্ৰসাদ ৰাভা, ৺ফণী শৰ্মা, ৺গোলোক চন্দ্ৰ ভূঞা, ৺উমাকান্ত বৰদলৈ, শ্ৰীনীলৰতন বৰঠাকুৰ আৰু শ্ৰীবেদানন্দ শৰ্মা অন্যতম। শ্ৰীবেদানন্দ শৰ্মাই শোভাযাত্ৰা পৰিচালনা কৰিছিল। এই শোভাযাত্ৰাত ৺লীলাধৰ বৰুৱায়ো যোগ দিলেহি। শোভাযাত্ৰা গৈ কছাৰীঘৰত ওচৰ পাওঁতে জিলাৰ বৰ চাহাব মিঃ গাণিং নিজে পুলিচ চাহাব আৰু পুলিচ বাহিনীৰ সৈতে আহি আগভেটি ধৰি শোভাযাত্ৰা ভঙ্গ কৰিবলৈ হুকুম দিয়াত ৺লীলাধৰ বৰুৱাই শোভাযাত্ৰা ভঙ্গ নকৰোঁ বুলি কোৱাত ৺বৰুৱা আৰু শ্ৰীবেদানন্দ শৰ্মাক গ্ৰেপ্তাৰ কৰি শোভা যাত্ৰাৰ ওপৰত পুলিচে লাঠি চালনা কৰিলে, ফলত-কেইবাজনো ছাত্ৰ ভালকৈ ঘূণিয়া হ'ল। পিচদিনা জেলত আলিমুদ্দিন হাকিমে বিচাৰ কৰি ৺লীলাধৰ বৰুৱাক চাৰিমাহ সশ্ৰম কাৰাদণ্ডৰ হুকুম দিলে, আৰু সৰু ল'ৰা বুলি শ্ৰীবেদানন্দ শৰ্মাক খালাছ দিলে। পিচত আকৌ শৰ্মাক গ্ৰেপ্তাৰ কৰি আনি চাৰিমাহ কাৰাদণ্ড বিহিলে। ইয়াৰ লগে লগে আন্দোলন তীব্ৰতৰ হৈ উঠিল। জিলাৰ বিভিন্ন ঠাইত পিকেটিং আদি আৰম্ভ হ'ল; ৺গঙ্গানাথ বৰকটকী, ৺ৰত্নেশ্বৰ ৰায়, শ্ৰীকীৰ্তিনাথ ভট্টাচাৰ্য্য আদি কৰ্মীসকল বিভিন্ন ঠাইত গ্ৰেপ্তাৰ হৈ আহিল। বিচাৰত বিভিন্ন ধৰণে সিবিলাকক কাৰাদণ্ড বিহা হ'ল। তেজপুৰ জাহাজ ঘাটত শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীক গ্ৰেপ্তাৰ কৰি গুৱাহাটীলৈ লৈ যোৱা হ'ল। বালিপাৰাৰ ৺শুকান কোছে ডিঙিত জুণুকা পিন্ধোৱা ৰঙা ঘোঁৰা এটাত উঠি হাতত ৰঙা বৰণৰ নিচান এদাল লৈ নিজকে বাণ ৰজাৰ নাতি বুলি ঘোষণা দি বৃটিছ চৰকাৰক খেদাব লাগিব বুলি হুঙ্কাৰী আহি তেজপুৰ নগৰ পাওঁতে তেওঁকো গ্ৰেপ্তাৰ কৰি জেললৈ পঠোৱা হ'ল, বিচাৰত ৬ মাহ সশ্ৰম কাৰাদণ্ড বিহা হ'ল।

ইতিমধ্যে গুৱাহাটীৰ পৰা শ্ৰীবিষ্ণুৰাম মেধি, ৺দেবীচৰণ বৰুৱা, মঙ্গদৈৰ শ্ৰীৰত্নেশ্বৰ শৰ্মা, শ্ৰীটঙ্কেশ্বৰ শৰ্মা, ছিলেটৰ পৰা ৺ব্ৰজেন্দ্ৰনাৰায়ণ চৌধুৰী, ৺ধীৰেন বাবু, ৺উপেন বাবু প্ৰমুখ্যে কেইবাগৰাকীও তেজপুৰ জেললৈ বদলি হৈ আহিল। এই যাত্ৰাত এশ জনৰো অধিক দেশকৰ্মীয়ে তেজপুৰ জেলৰ মহা-তীৰ্থত আশ্ৰয় গ্ৰহণ কৰিলে। ১৯৩১ চনৰ ৫ মাৰ্চ তাৰিখে বুৰঞ্জী প্ৰসিদ্ধ গান্ধী আৰউইন্ চুক্তিমতে সদৌ ভাৰতৰ জেলত বন্দী হৈ থকা কংগ্ৰেছ সত্যাগ্ৰহীসকলে বিনা স্বৰ্তে মুক্তি লাভ কৰিলে, তেজপুৰৰ কৰ্মীসকলেও মুক্তি পালে।

১৯৩১ চনৰ ২৮ ডিচেম্বৰ তাৰিখে মহাত্মা গান্ধী বিফল মনোৰথ হৈ বিলাতৰ পৰা ঘূৰি আহি ভাৰত পালেহি। ইহাতে মহাত্মা গান্ধী ঘূৰি অহাৰ আগতে নতুন ভাইচৰয় লৰ্ড উইলিং-ডনে ভাৰতত দমন নীতি আৰম্ভ কৰিলে, সীমান্ত গান্ধী আব্দুল গফুৰ খাঁন আৰু পণ্ডিত জৱহৰলাল নেহৰুক বন্দী কৰা হ'ল। ১৯৩২ চনৰ ৪ জানুৱাৰীৰ দিনা পুৱাতে মহাত্মা গান্ধী, আৰু কংগ্ৰেছ সভাপতি ৺বল্লভভাই পেটেলকো গ্ৰেপ্তাৰ কৰি নিয়া হ'ল। গান্ধীৰ গ্ৰেপ্তাৰৰ বাতৰি পাই দেশ জুৰি বিপ্লৱৰ অগনি জ্বলি উঠিল ---

"ভাৰত বৰিষ বিয়পি জ্বলিলে
যুঁজৰে অগনি শিখা।"

প্ৰদেশ কংগ্ৰেছৰ নিৰ্দেশক্ৰমে ২৬ জানুৱাৰীত স্বাধীনতা দিৱস পালন কৰি স্বাধীনতাৰ সঙ্কল্প প্ৰকাশ্যে গ্ৰহণ কৰিব লাগিব। আন্দোলন সক্ৰিয় কৰি তুলিবলৈ তেজপুৰৰ কৰ্মী-সকলে সিদ্ধান্ত গ্ৰহণ কৰিলে। এই দিৱস পালনত চৰকাৰ পক্ষৰ যি কোনো নিৰ্য্যাতন মূৰ পাতি ল'ব পৰাকৈ বাচক-বণীয়া কৰ্মী যুগুতাবৰ বাবে ৺অমিয় কুমাৰ দাস আৰু ৺জ্যোতিপ্ৰসাদ

আগৰৱালাদেৱে কৰ্মী সংগ্ৰহ কৰি আনিলে। তেতিয়া সিদ্ধান্ত হৈছিল যে, ২৪ জানুৱাৰী তাৰিখে সকলো কৰ্মী নিকামূল সত্ৰ পাব, আৰু তাতে এদিন শিক্ষা লৈ ২৬ জানুৱাৰী তাৰিখে পুৱা তাৰে পৰাই সমদল যাত্ৰা কৰি গৈ তেজপুৰ নগৰত পতাকা উত্তোলন কৰা হ'ব। সেই মতেই ২৪ জানুৱাৰী তাৰিখে ৺আগৰৱালাদেৱে কলাবাৰী, বৰঙাবাৰী, বিহালী, বিশ্বনাথ, চতিয়া, জামুগুৰি আদিৰ পৰা ৮০ জন কৰ্মী লগত লৈ খোজকাঢ়ি আহি নিকামূল সত্ৰ পালেহি, আৰু চাৰিদুৱাৰ অঞ্চলৰো ২০ জন কৰ্মী আহি সত্ৰতে লগ ললেহি। স্বৰ্গীয় জ্যোতিপ্ৰসাদ বিদ্ৰোহী তৰুণ শিল্পী, জাতীয় সংস্কৃতিৰে অন্তৰ উপচি থকা এগৰাকী মহান ব্যক্তি। সেয়ে সমদল যাত্ৰী সকলৰ প্ৰাণত আৰু ৰাইজৰ প্ৰাণতো স্বাধীনতা মহামন্ত্ৰই উতলা কৰি তুলিব পৰাকৈ গীত ৰচনা কৰি সুৰ দি লগৰি সকলক বাটে বাটে শিকাই লৈ আহিছিল—

“বিশ্ব বিজয়ী নৱ জোৱান,
বিশ্ব বিজয়ী নৱ জোৱান,
শক্তিশালী ভাৰতৰ ;
ওলাই আহা ওলাই আহা,
সন্তান তুমি বিপ্লৱৰ।”

আহি পোৱাৰ দিনা ৰাতিয়েই আৰু এটি গান ৰচনা কৰিলে,

“আগে বাঢ়ি আহা সৱে
মাতৃবলি হ'বলৈ।
ত্ৰিবৰ্ণ পতাকা হুঁকে
বক্ সহস্ৰ তেজেৰে নৈ ॥”

২৫ তাৰিখে এই গীত দুটা আৰু সমদল কৰি যাওঁতে গীতৰ তালে তালে কেনেকৈ ভৰি মিলাই যাব লাগে, পুলিচৰ

দ্বাৰা কোনো বিপদ আহিলে কেনেভাবে আগবাঢ়ি যাব লাগিব, সকলোখিনি শিকাই কৰ্মীসকলক প্ৰস্তুত কৰা হ'ল। ২৬ জানুৱাৰী তাৰিখে দোকমোকালিতে সকলোৱে নৈত গা-পা ধুই তৈয়াৰ হ'ল, আৰু সত্ৰৰ কীৰ্তন ঘৰৰ ভাগৱতৰ আগত আঠু লৈ শপত গ্ৰহণ কৰিলে---যিকোনো বাধা অতিক্ৰম কৰি স্বাধীনতা সঙ্কল্প গ্ৰহণ কৰিবলৈ। ইয়াৰ ভিতৰত ১৫ গৰাকী মহিলায়ো যোগদান কৰা উল্লেখযোগ্য ঘটনা। মুঠ ১১৫ গৰাকী কৰ্মীৰে সৈতে হাতত তিনি বৰণীয়া পতাকা লৈ পুৱা ৭ বজাত সমদল যাত্ৰা তেজপুৰ নগৰৰ অভিমুখে যাত্ৰা কৰিলে। সমদল যাত্ৰাৰ আগভাগত ৺অমিয় কুমাৰ দাস, মাজ ভাগত শ্ৰীগহন চন্দ্ৰ গোস্বামী আৰু শেষ ভাগৰ কাষেদি ৺জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে নিজে শিকোৱা গীত দুটি সুৰ লগাই গোৱাই লৈ যোৱা হৈছিল। মাজে মাজে 'বন্দেমাতৰম্' ধ্বনিয়ে চৌদিশ খলক্‌লগাই গৈছিল। সদৰ পুলিচ থানাত সশস্ত্ৰ পুলিচ বাহিনীয়ে সতৰ্কতাৰে জুম বান্ধি বৈ আছিল। পূৰ্বতে থিৰাং কৰা মতে থানাৰ সন্মুখত থকা টাউন হলত (এতিয়া য'ত হেম বৰুৱা ভৱন) পতাকা উত্তোলন কৰাৰ কথা আছিল যদিও তেতিয়া টাউন হলৰ লোহাৰ জপনাত টলা লগাই বন্ধ ৰখা দেখি শোভাযাত্ৰা আগ বাঢ়ি গ'ল, আৰু কছাৰী ঘৰৰ সন্মুখেদি গৈ "পলো' ফিল্ড"ত সমৱেত হোৱা হ'ল। পুলিচৰ দ্বাৰা তেনে কোনো দুৰ্ঘটনা নোহোৱা দেখি টাউনৰো কিছু লোকে সমদল যাত্ৰাত যোগদান কৰিছিল। যথা নিয়মে পতাকা উত্তোলন কৰি সঙ্কল্প গ্ৰহণ কৰা হ'ল। ৺অমিয় কুমাৰ দাসদেৱে পতাকা অভিবাদন কৰি সঙ্কল্প গ্ৰহণ কৰাইছিল। ইয়াতে উল্লেখনীয় বিষয় যে, টাউন হলত পতাকা উত্তোলন কৰিব পৰা সম্ভৱ নহ'ব বুলি ভিতৰুৱাকৈ জানিব পাৰি তাৰ পৰিৱৰ্তে পলো'ফিল্ডত পতাকা উত্তোলন কৰাটো থিৰাং হৈছিল, সেই বাবে আগদিনা সন্ধ্যাতে

বামুণ চুবুৰী গাঁৱৰ পৰা ভলুকা বাঁহ কাটি আনি ফিল্ডৰ মাজত পুতি লৈ শ্ৰীৰুদ্ৰকান্ত বৰাই গোটেই ৰাতি মনে মনে পহৰা দি বৈ থাকিবলগীয়া হৈছিল।

পতাকা উত্তোলনৰ পৰা আহি নিকামূল সত্ৰত আলোচনা-ক্ৰমে এটা সেৱাদল শিৱিৰ পাতি কিছু সংখ্যক কৰ্মীক প্ৰশিক্ষণ দি তৈয়াৰ কৰিবৰ বাবে সিদ্ধান্ত ল'লে। সেইমতে ওচৰৰ ডেকাৰ গাঁও শইকীয়া চুবুৰী গাঁৱৰ ৰাইজে এসপ্তাহৰ ভিতৰত নিকামূল সত্ৰত শিৱিৰ তৈয়াৰ কৰি তুলিলে। তেজপুৰৰ বিভিন্ন ঠাইৰ পৰা অহা ৫০ জন সেৱকেৰে প্ৰশিক্ষণৰ কাম আৰম্ভ হ'ল। শ্ৰীবেদানন্দ শৰ্মাই সেৱক সকলক শিক্ষা দিছিল, ৺অমিয় কুমাৰ দাস আৰু ৺জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে শিৱিৰৰ সকলো দায়িত্ব বহন কৰিছিল; শিৱিৰৰ সকলো খৰছ ৰাইজৰ পৰা অব্যাহতে আহি আছিল। এমাহ এই শিৱিৰত শিক্ষা দি এই কৰ্মী সকলৰ দ্বাৰায় জিলাৰ সকলো ঠাইতে স্বাধীনতা সংগ্ৰামৰ বাবে ৰাইজক সজাগ কৰি তুলিবলৈ থিৰ কৰা হৈছিল। শিৱি-ৰৰ কাৰ্য্য পূৰ্ণোদ্যমে চলি থকাৰ ভিতৰতে ২০ ফেব্ৰুৱাৰী তাৰিখে সশস্ত্ৰ পুলিচ বাহিনী আহি একেলগে ৫০ জন সেৱকে সৈতে ৺অমিয় কুমাৰ দাস আৰু শ্ৰীগহন চন্দ্ৰ গোস্বামীক গ্ৰেপ্তাৰ কৰি লৈ যোৱা হ'ল। সেই সময়ত ৺আগৰৱালা শিৱি-ৰত নথকাৰ বাবে বাহিৰত ৰৈছিল যদিও ১৫ দিন মানৰ পিচতে তেখেত গহপুৰত গ্ৰেপ্তাৰ হৈ আহিল। এই সেৱক সকলক গ্ৰেপ্তাৰ কৰি নি থানাত ভৰাই লৈ ৺অমিয় কুমাৰ দাস, শ্ৰীবেদানন্দ শৰ্মা, শ্ৰীফণীধৰ দাস, ৺হেমৰাম নাথ আৰু শ্ৰীগহন চন্দ্ৰ গোস্বামীক বিচাৰৰ বাবে জেল হাজোতলৈ পঠাই বাকী সকলক এৰি দিয়া হ'ল। ইয়াৰ পিচৰ পৰাই আন্দোলনৰ গতি তীব্ৰতৰ হৈ উঠিল, আৰু এসপ্তাহমানৰ ভিতৰতে জিলাৰ বিভিন্ন ঠাইৰ পৰা তিনিশৰো অধিক কৰ্মী গ্ৰেপ্তাৰ হ'ল,

শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীদেৱো গ্ৰেপ্তাৰ হৈ আছিল।

জিলাৰ বৰ চাহাব মিঃ ফ্ৰীলে জেলৰ ভিতৰত বিচাৰ পাতি বিচাৰ আৰম্ভ কৰিলে। বিচাৰত বিভিন্ন ধৰণে ৬ মাহৰ পৰা আঢ়ৈ বছৰলৈকে কৰ্মীসকলক সশ্ৰম কাৰাদণ্ড বিহা হ'ল। ৺জ্যোতিপ্ৰসাদ আগৰৱালাক ১৫ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫00 টকা জৰিমনা, শ্ৰীগহনচন্দ্ৰ গোস্বামীক এবছৰ সশ্ৰম কাৰাদণ্ড আৰু ৫00 টকা জৰিমনা, ৺অমিয় কুমাৰ দাসক ৬ মাহ, শ্ৰীবেদানন্দ শৰ্মা, শ্ৰীফণীধৰ দাস, আৰু ৺হেমৰাম নাথক প্ৰত্যেককে এবছৰকৈ সশ্ৰম কাৰাদণ্ড বিহা হ'ল; ৰায় দানৰ পিচতেই পুলিচ বাহিনীয়ে গোস্বামীৰ ঘৰুৱা আৰু সত্ৰীয়া সম্পত্তিও ক্ৰোক কৰি লৈ গ'ল।

তেজপুৰৰ চাৰিদুৱাৰ, ন-দুৱাৰ আৰু ছয় দুৱাৰ অঞ্চলৰ প্ৰত্যেক ঠাইতে একোখনি "ৰায়ত সভা" নামৰ ৰাজহুৱা অনুষ্ঠানে স্বাধীনতা সংগ্ৰামত ভালেখিনি অৰিহণা যোগাইছিল। ১৯৩১ চনত বিশ্বনাথত বহা নদুৱাৰ ৰায়ত সভাৰ সভাপতিৰ আসনৰ পৰা স্বৰ্গীয় ডাক্তৰ হৰিকৃষ্ণ দাসদেৱে মৃত্যু দণ্ডেৰে দণ্ডিত হোৱা ৺ভগৎ সিং, ৺শুকদেৱ আৰু ৺ৰাজগুৰুৰ আত্মত্যাগৰ প্ৰশংসা কৰাত চৰকাৰে তেখেতৰ পেঞ্চন বন্ধ কৰি দিছিল। ইয়াৰ পিচতে গমিৰিঘাটৰ গমিৰিবড়িত স্বৰ্গীয় পীতাম্বৰ দেৱ গোস্বামী গড়মূৰীয় সত্ৰাধিকাৰ প্ৰভুৰ সভাপতিত্বত ছয় দুৱাৰ ৰায়ত সভা অনুষ্ঠিত হৈছিল, মহিলা সভাত স্বৰ্গীয়া চন্দ্ৰপ্ৰভা শইকীয়াণীয়ে সভাপতিত্ব কৰিছিল। ৺জ্যোতিপ্ৰসাদ আগৰৱালা দেৱে স্বেচ্ছাসেৱক বাহিনীৰ সংগঠন দৃঢ়তৰ কৰি তুলিছিল, আন কি সুঠাম দেহৰ ১২ গৰাকী স্বেচ্ছাসেৱিকাক অশ্বাৰোহী সৈনিক সাজি শোভা যাত্ৰাদিত আগভাগ গ্ৰহণ কৰা অসমত এয়েই প্ৰথম অশ্বাৰোহী সেৱিকাৰ দল সমাজৰ আগলৈ আগবাঢ়ি আহিব পাৰিছিল। এই ৰায়ত সভাত ভাষণ দিয়াৰ

অপৰাধতে ৺মহাদেৱ শৰ্মা, ৺লক্ষ্মীধৰ শৰ্মা, ৺মহিমচন্দ্ৰ সিংহ, আৰু শ্ৰীচেনীৰাম দাস গ্ৰেপ্তাৰ হৈছিল, বিচাৰত ৺মহাদেৱ শৰ্মাৰ ৫০০ টকা জৰিমনা, ৺লক্ষ্মীধৰ শৰ্মা, ৺মহীমচন্দ্ৰ সিংহ আৰু শ্ৰীচেনীৰাম দাসৰ প্ৰত্যেকৰে এবছৰকৈ কাৰাবাসৰ আদেশ হ'ল। চাৰিদুৱাৰ অঞ্চলৰ মৈলাগাঁৱত স্বৰ্গীয় পণ্ডিত কনকচন্দ্ৰ শৰ্মাদেৱৰ সভাপতিত্বত বহা চাৰিদুৱাৰ ৰায়ত সভায়ো স্বাধীনতা সংগ্ৰামত আগবাঢ়িবলৈ ৰাইজৰ প্ৰাণত প্ৰেৰণা যোগোৱাটো উল্লেখযোগ্য কথা।

১৯৪০ চনৰ ১৭ অক্টোবৰ তাৰিখে পাৱনাৰত যুদ্ধবিৰোধী ভাষণেৰে পূজ্য বিনোৱাজীয়ে ব্যক্তিগত সত্যাগ্ৰহ আন্দোলনৰ সূত্ৰপাত কৰাৰ লগে লগে সদৌ ভাৰততে সত্যাগ্ৰহ আন্দোলন মূৰ্তিমন্ত হৈ উঠিল। তেজপুৰ কংগ্ৰেছ কমিটিয়েও ৰীতিমতে সত্যাগ্ৰহীৰ নামৰ তালিকা কৰি মহাত্মাজীৰ পৰা অনুমোদন অনালে। জিলা কংগ্ৰেছৰ সভাপতি ৺অমিয় কুমাৰ দাসদেৱে প্ৰথম সত্যাগ্ৰহ কৰিব লগা হোৱাত ৺তুলসীচন্দ্ৰ হাতীবৰুৱা-দেৱক জিলা কংগ্ৰেছৰ সভাপতি মনোনীত কৰি যথা সময়ত ৺অমিয় কুমাৰ দাসে যুদ্ধ বিৰোধী ধ্বনি কৰি সত্যাগ্ৰহ কৰাত পুলিচৰ দ্বাৰা গ্ৰেপ্তাৰ হৈ আহিল, আৰু বিচাৰত ৪ মাহ কাৰাদণ্ড আৰু ২০০ টকা জৰিমনাৰ হুকুম হ'ল। জিলা কংগ্ৰেছে নিৰ্দ্ধাৰিত কৰা কাৰ্য্যসূচীমতে গোটেই জিলাতে সত্যাগ্ৰহ আৰম্ভ হ'ল। ইয়াৰ ভিতৰতে সত্যাগ্ৰহীৰ সমাবেশৰ বাবে চাৰিআলিৰ বাকৰিত (এতিয়া মিশ্যন হস্পিতাল থকা) ১৯২১ চনৰ মাৰ্চ মাহত চাৰি দিনীয়াকৈ ৰাষ্ট্ৰীয় সন্মিলন আৰু লগতে এখনি প্ৰদৰ্শনীৰো ব্যৱস্থা কৰা হৈছিল। বিৰাট সভা মণ্ডপৰ উপৰিও পাঁচশ সত্যাগ্ৰহী থাকিব আৰু খাব পৰাকৈ বাঁহৰ আৰু প্ৰদৰ্শনীৰ বাবে ঘৰ-দুৱাৰ আদি যাৱতীয় ব্যৱস্থা স্থানীয় ৰাইজে

দিনে-ৰাতিয়ে খাটি তৈয়াৰ কৰিছিল। খোৱাৰ বাবে ৰাইজৰ পৰা অহা অপৰ্য্যাপ্ত বস্তুয়ে উভৈনদী হৈ গৈছিল। জিলাৰ বিভিন্ন ঠাইৰপৰা অহা ৫০০ শ সত্যাগ্ৰহীয়ে এই সন্মিলনত যোগদান কৰিছিল। মূল সভাত জিলা কংগ্ৰেছৰ সভাপতি ৺হাতীবৰুৱাদেৱে সভাপতিত্ব কৰিছিল। প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি ৺মৌলানা তৈয়বুল্লা, ৺হেমচন্দ্ৰ বৰুৱা প্ৰমুখ্যে অসমৰ কেইবাগৰাকীও নেতৃস্থানীয় লোকে সভাত যোগদান কৰিছিল। এই সন্মিলনৰ পৰাই জিলাত সত্যাগ্ৰহ আন্দোলন দুগুণে সজীৱ হৈ উঠিল। ৺মহাদেৱ শৰ্মা, শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী, শ্ৰীমহী-কান্ত দাস, শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, ৺তুলসীচন্দ্ৰ হাতীবৰুৱা প্ৰমুখ্যে নেতৃবৃন্দই সত্যাগ্ৰহ কৰি জেললৈ গ'ল, আৰু অন্যান্য কৰ্মীসকলেও কাৰ্য্যসূচীমতে জিলাৰ বিভিন্ন ঠাইত সত্যাগ্ৰহ কৰি গ্ৰেপ্তাৰ হ'ল। বহুজন সত্যাগ্ৰহীক পুলিচে গ্ৰেপ্তাৰ নকৰাত কিছু সংখ্যক সত্যাগ্ৰহ কৰি কৰি উত্তৰ লক্ষীমপুৰ পালেগৈ, কেগৰাকীমান তাতে গ্ৰেপ্তাৰ হ'ল। জিলা কংগ্ৰেছৰ সম্পাদক হিচাবে শ্ৰীগহনচন্দ্ৰ গোস্বামীয়ে সকলো ঠাই ঘূৰি পৰিপাটিকৈ আন্দোলন চলাই শেহত নিজে সত্যাগ্ৰহ কৰি জেললৈ গ'ল।

ইয়াৰ লগে লগে বিয়াল্লিছৰ বিপ্লৱে দেখা দিলেহি। বোম্বাই নগৰীত ৭ আৰু ৮ আগষ্ট তাৰিখে বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে মহাত্মা গান্ধীৰ নেতৃত্বত গ্ৰহণ কৰা ইতিহাস প্ৰসিদ্ধ "ভাৰত ত্যাগ" প্ৰস্তাৱে সকলোৰে প্ৰাণত হেন্দোলনি তুলিলে আৰু মহাত্মা গান্ধী প্ৰমুখ্যে কংগ্ৰেছৰ নেতাসকল ৯ আগষ্ট তাৰিখে গ্ৰেপ্তাৰ হোৱাৰ বাতৰি বিজুলী সঞ্চাৰে সকলোতে ৰজন্‌জনাই গ'ল।

তেজপুৰৰ কংগ্ৰেছৰ কৰ্মীসকলে ধীৰ-স্থিৰভাবে চিন্তা কৰি কাৰ্য্যসূচী প্ৰণয়ন কৰিলে। ২০ চেপ্টেম্বৰ তাৰিখে গহপুৰ,

বিহালী, চতিয়া আৰু ঢেকীয়াজুলি থানাত, আৰু ২১ ছেপ্টেম্বৰ তাৰিখে নগৰৰ পুলিচ থানা আৰু কছাৰী ঘৰত জাতীয় পতাকা উত্তোলন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি কাৰ্য্যসূচী আৰু ইয়াৰ বাবে মৃত্যু বাহিনীও তৈয়াৰ কৰা হ'ল। এই আন্দোলনৰ সম্পূৰ্ণ গুৰি ধৰিলে ৺অমিয় কুমাৰ দাসদেৱে আৰু ইয়াৰ কাৰ্য্যসূচী তৈয়াৰ কৰি তাৰ প্ৰয়োগ কেনেভাবে কৰিব লাগিব, ইয়াৰ দৃঢ়নীতি অৱলম্বন ঠিক কৰিলে ৺জ্যোতিপ্ৰসাদ আগৰৱালা দেৱে। অহিংস নীতিৰ যাতে অলপো ব্যত্তিক্ৰম নহয় বা হ'ব নোৱাৰে, তাৰ বাবে কৰ্মী সকলক সজাগ কৰি দিয়া হ'ল। শ্ৰীযুতা পুষ্পলতা দাসে জিলাৰ বিভিন্ন ঠাই ঘূৰি তেজোদ্দীপ্ত ভাষণেৰে ৰাইজক স্বাধীনতা আন্দোলনক ক্ষীপ্ৰ গতিৰে আগ-বঢ়াই নিবলৈ পুৰুষ মহিলা নিৰ্বিশেষে সকলোকে উদ্রাৱল কৰি তুলিলে। ৰাইজ আৰু মৃত্যু বাহিনী সকলে অন্তৰত দৃঢ় সঙ্কল্প লৈ সাজু হ'ল। প্ৰতি পুলিচ থানাৰ এলেকাৰ কৰ্মীসকল এক গোট হৈ সমদল বান্ধি হাতত জাতীয় ত্ৰিৰঙ্গ পতাকা লৈ বন্দে-মাতৰম্ ধ্বনিৰে আকাশ পাতাল মুখৰিত কৰি সেই ২০ চেপ্টে-ম্বৰ তাৰিখে পুৱা নিজ নিজ থানা অভিমুখে যাত্ৰা কৰিলে। গহপুৰ থানাৰ পূব দিশৰ পৰা শ্ৰীগোলোক চন্দ্ৰ পূজাৰীৰ নেতৃত্বত কলাবাৰী, ডুবিয়া আদিৰ কৰ্মীসকল সমদলেৰে আগবাঢ়ি আহি থানাৰ পূবফালে থকা বাটৰ জপনাৰ সমুখত উপস্থিত হ'লহি, সিফালে শ্ৰীজোনাৰাম ভূঞাঁৰ নেতৃত্বত পশ্চিম ফালৰপৰা বৰঙাবাৰী, হেলেম আদিৰ বিৰাট সমদল যাত্ৰা আহি থানাৰ পশ্চিম বাটৰ জপনাৰ সমুখ পালেহি। দুয়োফালে বাটৰ মুখত হেঙাৰ বান্ধি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্ৰীৰেৱতী মোহন সোমে সশস্ত্ৰ পুলিচ বাহিনীৰে সৈতে সম্পটম হৈ থানাৰ হাউলীৰ ভিত-ৰলৈ যাব নোৱাৰাকৈ সমদল যাত্ৰাক আগভেটি ধৰিলে। সমদল যাত্ৰীসকল সম্পূৰ্ণ অহিংস আছিল; আনকি—কোনোজনৰে

হাতত সাধাৰণ এটুকুৰা এচাৰিও নাছিল। পশ্চিমৰ পথত থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকীয়ে নিজে বাধা দি ধৰিলে, আৰু উভয় পক্ষৰ মাজত বাক্-বিতণ্ডা আৰম্ভ হ'ল; তাৰ ভিতৰতে হাতত পতাকা লৈ ৰৈ থকা শ্ৰীকনকলতা আইদেউ আগ-বাঢ়িলে, ৰাইজৰ ফালৰ পৰাও ভালকৈ হেঁচা পৰিল, এনেতে পুলিচৰ ফালৰ পৰা গুলী কৰা হ'ল--কনকলতা নিধলি মাটিত বাগৰি পৰিল, আৰু প্ৰাণ এৰিলে। তৎকালেই শ্ৰীমুকুন্দ কাকতীয়ে কনকলতাৰ হাতৰ পৰা পতাকাখনি হাতত লৈ আগবাঢ়ি গ'ল, পুনৰ্বাৰ গুলী হ'ল মুকুন্দ কাকতীও মাটিত নিধলি পৰিল, কিছু সময়ৰ পিচতে কাকতীয়েও চকু মুদিলে। অন্যান্য কেইবাগৰাকীৰ গাতো গুলী লাগিল। ৰাইজৰ মাজত হুলস্থূল লাগি ৰাইজ চেদেলি ভেদেলি হ'বলৈ ধৰিলে। এনে গণ্ডগোলৰ মাজতে থানাৰ পিচ ফালৰ পথাৰেদি গৈ শিশু শ্ৰীৰামপতি ৰাজখোৱাই শ্ৰীপ্ৰেম বৰুৱা, শ্ৰীগিৰীশ সূত আৰু ৺মুহিধৰ চাংমাইৰ সহায়ত থানা ঘৰৰ মুধত উঠি জাতীয় পতাকা তৰিলে, পুলিচে তেতিয়া ঘটনাটো দেখি বন্দুক টোৱাই তেওঁক নমাই অনা হ'ল।

ইফালে তেজপুৰৰ পশ্চিম খণ্ডৰ ঢেকীয়াজুলি থানাৰ এলেকাৰ বৰগাওঁ, নাহৰবাৰী, জহামাৰী, ঘটুৱা আদি গাঁৱৰ পুৰুষ মহিলা নিৰ্বিশেষে সমদল যাত্ৰা ৰান্ধি হাতত ত্ৰিৰঙ্গা পতাকা লৈ বন্দেমাতৰম্ ধ্বনিৰে যাত্ৰা কৰি আহিল ঢেকীয়াজুলি থানালৈ। সমদল যাত্ৰা পৰিচালনা কৰিবলৈ পৰ্য্যায়ক্ৰমে স্বৰ্গীয় কমলাকান্ত দাস, শ্ৰীফণীধৰ দাস আৰু বাবুৰাম গগৈৰ ওপৰত দায়িত্ব দিয়া হৈছিল। সিফালে থানাত বৃটিচ চৰকাৰৰ জীৱন্ত প্ৰতি-নিধি হিচাবে থকা পুলিচ বিষয়া সকলো অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত হৈ থানাত দণ্ডায়মান হৈ আছিল। শ্ৰীমহীধৰ বৰা থানাৰ

ভাৰপ্ৰাপ্ত বিষয়া। সমদল যাত্ৰা গৈ থানাৰ হাউলীৰ ভিতৰলৈ যাবলৈ আগবাঢ়োঁতে সমদল যাত্ৰাৰ নায়কৰ লগত পুলিচ বিষয়াৰ সৈতে তৰ্কা-তৰ্কি আৰম্ভ হৈছিল। নায়কৰ হুকুম মতে আগতে থিৰাং হৈ থকা শ্ৰীমনবৰ নাথে সাহসেৰে হাতত পাতাকা লৈ আগবাঢ়িল, লগে লগে সমদল যাত্ৰাও আগবাঢ়ি যাবলৈ যত্ন কৰাত হুলস্থূলৰ সৃষ্টি হ'ল; এনেতে বন্দুকৰ গুলীৰ শব্দ হ'ল, বন্দুকৰ গুলীয়ে শ্ৰীমনবৰৰ বুকু ভেদ কৰিলে; তেওঁ মাটিত বাগৰি পৰিল, আৰু চিৰ দিনৰ কাৰণে চকু মুদিলে। তৎকালে শ্ৰীচন্দ্ৰকান্ত নাথে পতাকা ডাঙি ধৰিলে। ৰাইজৰ মাজত হুলস্থূল আৰু বাঢ়িলে। ক্ৰমান্বয়ে কেইবাবাৰো পুলিচৰ ফালৰ পৰা গুলী চলোৱা হ'ল, ফলত—২।৺কুমলী দেৱী, ৩। ৺মহীৰাম কোচ, ৪। ৺মণিৰাম কছাৰী, ৫। ৺ৰতন কছাৰী, ৬। ৺সৰুৰাম চুতিয়া, ৭। ৺খহুলী দেৱী, ৮। ৺দয়াল পাণিকা, ৯। ৺মঙ্গল কৰ্কু, ১০। ৺তিলেশ্বৰী বৰুৱা, আৰু ১১। ৺লেৰেলা কছাৰীয়ে বন্দুকৰ গুলীত প্ৰাণ এৰিলে, আৰু বহু জনেই আহত হ'ল। ইয়াৰ লগে লগে আকৌ পুলিচ বিষয়াই থানাৰ ভিতৰত আগৰে পৰাই সণ্টম কৰি ৰখা ভেৰোনীয়া পমুৱা মুছলমানক ফেটাই লগাই দিয়াত সিহঁতে হ.তত দীঘল দীঘল টোকো.ন লৈ আহি থানাৰ ওচৰৰ সৰু দলং এখনত পেলাই (দলংখনৰ ইমূৰে সিমূৰে লোহাৰ তাঁৰেৰে তেতিয়াই বেৰি ৰখা হৈছিল) সমদলৰ ওপৰত টোকোনেৰে টঙনিয়াবলৈ ধৰাত ইয়াতো বহুজনেই আহত হৈছিল। অকল এয়েই নহয়,—তৎমুহূৰ্তে থানাৰ পৰা তেজপুৰলৈ খবৰ দিয়াত তেজপুৰ থানাৰ পৰা সশস্ত্ৰ মিলিটাৰী উগ্ৰ মূৰ্তি ধাৰণ কৰি মটৰ গাড়ী দৌৰাই ঢেকীয়াজুলিলৈ ঢপলিয়াই গ'ল। সেই দিনা দেওবৰীয়া বজাৰলৈ বিভিন্ন ঠাইৰ পৰা বেহা-বেপাৰ কৰিবলৈ অনেক মানুহৰ সমাগম হয়। সেই সময়ত বজাৰ কৰি ঘৰলৈ উভতি যোৱা মানুহক বাটত লগ পাই মিলিটাৰীয়ে

এফালৰ পৰা গুলীয়াই আহিবলৈ ধৰিলে, ফলত বহুজনে বন্দুকৰ গুলীত প্ৰাণ এৰিলে আৰু বহুতো হতাহত হ'ল, বহুতে ধাননিৰ মাজত সোমাই পৰি আত্মৰক্ষা কৰিব লগা হৈছিল। ইয়াৰোপৰি বাটত বন্দুকৰ গুলীত প্ৰাণ হেৰুৱা কেইবাগৰাকীৰো মৃতদেহ মিলিটাৰীয়ে তেজপুৰলৈ উভতি যোৱাৰ পথত নিজৰ মটৰ গাড়ীত ভৰাই লৈ গাভৰু নৈৰ পাৰত মৃতদেহৰ ওপৰত পেট্ৰোল ঢালি জুই লগাই পুৰি শেষ কৰি যোৱা দৃশ্যও দেখিবলৈ পোৱা গৈছিল। এই ঘটনাই তাহানিৰ জালিয়ানাবাগৰ হত্যাকাণ্ডকো চেৰ পেলালে বুলি নিঃসন্দেহে ক'ব পাৰি। এই নৃশংস কাৰ্য্যত কিমান হতাহত হ'ল তাৰ সম্পূৰ্ণ বিৱৰণ আজিলৈকে ধৰিব নোৱাৰাটো আমাৰ চৰম দুৰ্ভাগ্য।

ঢেকীয়াজুলিৰ ২০ চেপ্টেম্বৰ তাৰিখৰ ঘটনা লৈ তেতিয়াৰ ত্যাগবীৰ ৺হেমচন্দ্ৰ বৰুৱা আৰু ৺মৌলানা তৈয়বউল্লাদেৱে পুলিচ আৰু মিলিটাৰীৰ গুলীত ঢেকীয়াজুলি থানাত ২০ জন সেৱক-সেৱিকাৰ মৃত্যু আৰু এশ জনৰো অধিক সেৱক-সেৱিকা আহত হৈছিল বুলি প্ৰকাশি যোৱা কথা নিশ্চয় স্মৰণ যোগ্য।

এই ঘটনাৰ পিচতো পুলিচ মিলিটাৰীয়ে জহামাৰী, বৰগাঁও আদি গাওঁ-ভূঁইত সোমাই ৰাইজৰ ওপৰত যি নাৰকীয় অত্যা-চাৰ কৰিলে, সেয়া ৰাজ্যত বেলি মাৰ নোযোৱা বুলি গৰ্ব কৰা বৃটিচ ৰাজত্বৰ ইতিহাসৰ কলঙ্কপূৰ্ণ অধ্যায়।

ইহাতে বিহালী থানাৰ এলেকাৰ বিভিন্ন অঞ্চলৰ পৰা মৃত্যু বাহিনী আৰু ৰাইজে সমদল বান্ধি জাতীয় পতাকা হাতত লৈ বেণ্ড বজাই বন্দেমাতৰম্ ধ্বনি দি আহি থানাৰ সমুখ পালেহি। থানাৰ ভিতৰত সশস্ত্ৰ পুলিচ বাহিনী সন্তম হৈ ৰৈছে। এই সমদলত মুনিহ-তিৰোতা নিৰ্বিশেষে প্ৰায় দহ হেজাৰ লোকৰ সমাবেশ ঘটিছিল। সমদলে আগবাঢ়ি আহি থানাৰ হাউলীৰ

ভিতৰলৈ সোমাবলৈ ধৰোঁতে ভাৰপ্ৰাপ্ত পুলিচ বিষয়া শ্ৰীসুকুমাৰ চক্ৰৱৰ্তী আৰু সহকাৰী শ্ৰীউদয় শৰ্মাই আগভেটি বাধা দিয়াত উভয় পক্ষৰ মাজত সংঘৰ্ষ হ'ল, আৰু জনতাই পুলিচক নিৰস্ত্ৰ কৰি অৱৰুদ্ধ কৰিলে; এনে সংঘৰ্ষৰ মাজেদিয়েই সৰকি গৈ শ্ৰীমতী তিলেশ্বৰী মহন্তই থানাত জাতীয় পতাকা উত্তোলন কৰিলে; জনতাই জয়ধ্বনি কৰি বেগু বজাই উভতি ৰাওণা হ'ল।

সেইদৰেই চতিয়া থানাৰ এলেকাৰ বিভিন্ন অঞ্চলৰ পৰা মৃত্যু বাহিনী আৰু ৰাইজে যথা সময়ত সমদল বান্ধি সাৱধান-তাৰে আগবাঢ়ি আহি কৌশলেৰে থানা ঘৰত জাতীয় পতাকা উত্তোলন কৰিলে। পুলিচ বিষয়াসকল অপ্ৰস্তুত অৱস্থাৰে ভেবা লাগি চাই ৰ'ল।

২১ চেপ্টেম্বৰ সোমবাৰ। আগদিনা গহপুৰ আৰু ঢেকীয়া-জুলি থানাত পতাকা উত্তোলন কৰিবলৈ যোৱা সমদলৰ ওপৰত পুলিচৰ দ্বাৰা হোৱা নৃশংস হত্যাকাণ্ডৰ বাতৰি চাৰিওফালে বিয়পি পৰিছিল। ইমানতো পূৰ্বৰ কাৰ্য্যসূচী পালন কৰিবলৈ বালিপাৰাৰ পৰা আৰম্ভ কৰি বিহগুৰি, বাঁহবাৰী, বেছেৰীয়া, কুমাৰ গাঁও, গটঙ্গা, বালিপুখুৰী, ডেকাৰ গাঁও আদিৰ মৃত্যু বাহিনী আৰু ৰাইজ মুনিহ-তিৰোতা নিৰ্বিশেষে সমদল বান্ধি জাতীয় পতাকা হাতত লৈ "বন্দেমাতৰম্" ধ্বনিৰে তেজপুৰ নগৰলৈ আগবাঢ়ি আহিল। সেইদিনা ৰাতিৰ পৰা ধাৰাষাৰে বৰষুণ হৈ থকাৰ বাবে সমদল যাত্ৰা আহি পাওঁতে পলম হৈছিল। সেই সময়ত মহাযুদ্ধৰ বাবে তেজপুৰ নগৰত মিলি-টাৰী ঘাটি হৈছিল,—চৌদিশ মিলিটাৰীৰে ভৰপূৰ। চৰকাৰ পক্ষই সেই দিনাৰ আন্দোলনক মষিমূৰ কৰিবলৈ প্ৰস্তুত হৈ আছিল। বৃটিচ টমী সৈনিক সকলে মটৰ-চাইকেলেৰে মিশ্যন চাৰিআলিলৈকে টহলি জনতাক ৰোধ কৰিবলৈ যত্ন ৰাখিছিল।

বিহুগুৰি, বেছেৰীয়া আদিৰ পৰা অহা সমদল যাত্ৰা বালিপুখুৰী পায় বিপদৰ আশঙ্কা কৰি মহিলা আৰু ল'ৰা-ছোৱালী সকলক তাৰে পৰাই বিদায় দি সমদল যাত্ৰা নানা উপায় কৰি আহি নগৰৰ চাৰ্চ্চ ফিল্ডত সমৱেত হলহি। ৰাইজ সকলক শ্ৰীনৰেন্দ্ৰ নাথ গোস্বামী আৰু ৺দুৰ্গেশ্বৰ শৰ্মাই নেতৃত্ব বহন কৰি লৈ আহিছিল। এই সমদল যাত্ৰাত ১০ হাজাৰৰো অধিক সংখ্যক জনতাই যোগদান কৰি আহিছিল। এতিয়াৰ কাৰ্য্যসূচী মতে আগদিনা গহপুৰ আৰু ঢেকীয়াজুলি থানাত পুলিচৰ গুলীত প্ৰাণ আহুতি দিয়া শ্বহীদ সকললৈ এক মিনিট মৌনতা অৱলম্বন কৰি শ্ৰদ্ধা জনোৱা হ'ব, আৰু তাৰ পিচতে কাছাৰী ঘৰ আৰু পুলিচ থানাৰ ওপৰত জাতীয় পতাকা উত্তোলন কৰা হব। এই পতাকা উত্তোলন কৰিবলৈ শ্ৰীদুৰ্গাধৰ গোস্বামী, শ্ৰীচন্দ্ৰকান্ত ডেকা বৰুৱা প্ৰমুখ্যে চাৰি গৰাকী যুৱকে দায়িত্ব গ্ৰহণ কৰিছিল। সমদল যাত্ৰা চাৰ্চ্চ ফিল্ড পোৱাৰ লগে লগে সশস্ত্ৰ পুলিচ-মিলিটাৰীয়ে সেই জনতাক ঘেৰাও কৰি ধৰিলে, আৰু অলপ পিচতেই ইংৰাজ পুলিচ চাহাব মিঃ লইড্ ৰীজ্ আৰু বৰ হাকিম শ্ৰীৰাজেন্দ্ৰ লাল উজীৰ সমদলৰ সন্মুখত উপস্থিত হৈ হাকিমে ১০ মিনিট সময়ৰ ভিতৰত সমদল ভঙ্গ কৰি তাৰ পৰা আঁতৰি যাবলৈ হুকুম দিলে। কিন্তু হুকুমৰ লগে লগে মিলিটাৰী চিপাহীয়ে জনতাৰ ওপৰত জপিয়াই পৰি লাঠি চাৰ্জ আৰম্ভ কৰি দিলে, লাঠিৰ কোবত বহু লোক ভালকৈ আহত হ'ল, বহুতো অজ্ঞাহি হৈ ফৰিং চিটিকাদি চিটিকি পৰিল। শ্ৰীদুৰ্গাধৰ গোস্বামীক ভালকৈ খুন্দি বগৰাই দিলে, তেওঁ তেজেৰে ৰাঙলী হ'ল; শ্ৰীৰূপেশ্বৰ কাকতীক ফিল্ডত পেলাই খুন্দাৰ উপৰিও থানালৈ নি বুট জোতাৰে গুৰিয়াই গুৰিয়াই আধামৰা কৰিলে। মুখীয়াল লোক সকলক গ্ৰেপ্তাৰ কৰি লৈ যোৱা হ'ল। এই হুলস্থূলৰ মাজতে শ্ৰীজিতেন্দ্ৰ কুমাৰ ভূঞাঁই সহকাৰী এজনৰ সৈতে লগ লাগি কৌশলেৰে কাছাৰী ঘৰৰ সন্মুখত জাতীয় পাতকা উত্তো-

লন কৰিব পৰাটো গৌৰৱপূৰ্ণ অধ্যায়।

ইহাতে ৺কাশীৰাম মেধিৰ নেতৃত্বত বালিপাৰা অঞ্চলৰপৰা তেজপুৰ অভিমুখে অহা ৫ হাজাৰমান মুনিহ-তিৰোতাৰ সমদল যাত্ৰাক ডেকাৰ গাঁৱতে পুলিচ-মিলিটাৰীয়ে আগভেটি ধৰি লাঠিৰে কোবাই, সঙ্গীনেৰে খুছি সকলোকে ছেদেলি ভেদেলি কৰি দিলে, বহুজনৰে ভালকৈ জখম হ'ল। পতাকাধাৰী ৺আদ্যৰামক ভালকৈ এখুন্দা দি হাতে-ভৰিয়ে বান্ধি মটৰত তুলি তেজপুৰলৈ লৈ যোৱা হ'ল।

আন্দোলন গঢ়ি উঠাৰ লগে লগে ১৬ আগষ্ট তাৰিখে শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী, শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, আৰু শ্ৰীমহীকান্ত দাস গ্ৰেপ্তাৰ হ'ল। ২০ চেপ্টেম্বৰ তাৰিখে শ্ৰমতী পুষ্পলতা দাস গ্ৰেপ্তাৰ হ'ল আৰু ২১ চেপ্টেম্বৰ তাৰিখে পুৱাতে অসুখ অৱস্থাতেই ৺অমিয় কুমাৰ দাসক গ্ৰেপ্তাৰ কৰা হ'ল; আৰু সেই দিনা তেজপুৰলৈ আহিব লগীয়া সমদল যাত্ৰাক মিশ্যান চাৰিআলিৰ পৰা নেতৃত্ব দি আনিবৰ কাৰণে ৺মহাদেৱ শৰ্মা আগবাঢ়ি গৈ দাধৰা পাওঁতেই তেখেতকো গ্ৰেপ্তাৰ কৰি লৈ অহা হ'ল। এই দিনৰ পৰাই জিলাৰ সকলো ঠাইতে গ্ৰেপ্তাৰ আৰু ৰাইজৰ ওপৰত নানা অত্যাচাৰ আৰম্ভ হ'ল। এনে অৱস্থাত আন্দোলনক সজীৱ কৰি ৰাখি শেষ পৰ্য্যন্তলৈকে আন্দোলন চলাই যাবলৈ স্বৰ্গীয় জ্যোতিপ্ৰসাদ আগৰৱালা, শ্ৰীগহনচন্দ্ৰ গোস্বামী আৰু শ্ৰীবিশ্বদেব শৰ্মাই ৰাইজৰ মাজতে আত্মগোপন কৰিলে।

আন্দোলনৰ আৰম্ভণীতে জিলাৰ নেতৃস্থানীয় লোকসকল বিভিন্ন ঠাইত গ্ৰেপ্তাৰ হৈ পিচত সংগঠিতভাৱে আন্দোলনক আগবঢ়াই নিবৰ বাবে বিহিত ব্যৱস্থা কৰিবলৈ ২৩।১০।৪২ তাৰিখে বিশ্বনাথ ভীৰগাঁৱৰ নামঘৰত এখনি জৰুৰী আৰু

গোপনীয় সভা আহ্বান কৰা হ'ল। জামুগুৰি, চতিয়া, আৰু বিশ্বনাথ চাৰিআলিৰ কৰ্মীসকলক সেইদিনা ৰাতি ৮ বজাৰ সময়ত সভাত উপস্থিত থাকিবলৈ জনোৱা হ'ল। তেজপুৰত জিলা অফিচৰ দায়িত্বত থকা শ্ৰীমহেশ্বৰ বৰাকো জিলা কংগ্ৰেছৰ সকলো কাগজপত্ৰ লগত লৈ আহিবলৈ জৰুৰী বাতৰি পঠোৱা হ'ল। সেই সময়ত কেউফালে পুলিচৰ চোকা দৃষ্টি চলি থকাৰ বাবে আৰু সম্পূৰ্ণ গোপনীয়তা ৰক্ষা কৰিবলৈ বুলি এই সভা ৰাতি অনুষ্ঠিত হ'বলগীয়া হৈছিল। সন্ধ্যাৰ পিচৰে পৰা সকলো ঠাইৰ পৰা কৰ্মীসকল উৎফুল্ল মনেৰে আহি সভাৰ থলী পালেহি। সিফালে শ্ৰীমহেশ্বৰ বৰাই শ্ৰীত্ৰিণয়ন বৰ-কাকতীৰে সৈতে জিলা অফিচৰ যাবতীয় কাগজ-পত্ৰ দুটা ডাঙৰ ঠেলাত ভৰাই মুখ চিলাই কৰি গৰু গাৰী এখনত বোজায় দি মহাজনৰ ঘৰত ধান বেচিবলৈ অহা মানুহৰ বেশেৰে নানা প্ৰৱন্ধেৰে ৰাতি ৯ মান বজাত আহি পোৱাত কৰ্মীসকলৰ মাজত কিমান আনন্দ উপজিল তাক বৰ্ণাব নোৱাৰি। এই সভাত এশ জনৰো অধিক কৰ্মীয়ে যোগদান কৰিছিল। স্থানীয় কৰ্মী-সকলে যুগুতোৱা ব্যৱস্থামতে ৰাতি চাউল সিজোৱা ভাগ ধৰি লৈ ১২ মান বজাৰ পৰা সভাৰ কাম আৰম্ভ হ'ল। শ্ৰীগহন চন্দ্ৰ গোস্বামীয়ে এই সভাত সভাপতিত্ব কৰিছিল। সভাই সকলো দিশ আলোচনা কৰি আন্দোলনক ক্ষীপ্ৰ গতিৰে আগুৱাই নিবলৈ "জিলা জৰুৰী কংগ্ৰেছ কমিটী" গঠন কৰিলে। সৰ্ব সন্মতিক্ৰমে শ্ৰীগহনচন্দ্ৰ গোস্বামী সভাপতি (ডিক্‌টেটৰ), শ্ৰীকীৰ্তিনাথ ভট্টা-চাৰ্য্য, সাধাৰণ সম্পাদক, শ্ৰীত্ৰিণয়ন বৰকাকতী, কাৰ্য্যালয় পৰিচালক আৰু ছাত্ৰকৰ্মী শ্ৰীতিলক কাকতীক কাৰ্য্যালয় সহায়ক স্বৰূপে নিৰ্বাচিত কৰা হ'ল।

তেজপুৰ, ঢেকীয়াজুলি অঞ্চলত সংগঠন টনকীয়াল কৰি পুৰ্ণোদ্যমে কাম চলাই যাবলৈ শ্ৰীমহেশ্বৰ বৰাৰ ওপৰত দায়িত্ব

দিয়া হ'ল। আৰু ছয় দুৱাৰ অঞ্চলৰ মুখ্য লোকসকল গ্ৰেপ্তাৰ হৈ অহাৰ পিচতো পুলিচৰ অত্যাচাৰ আৰু উৎপীড়নকো আওঁকাণ কৰি যিসকল কৰ্মীয়ে গমিৰি, হেলেম, বৰঙাবাৰী, ডুবিয়া, কলাবাৰী আৰু হাৱাজান আদি অঞ্চলত আত্মগোপন কৰি সংগঠন সজীৱ কৰি ৰাখিবলৈ যত্ন কৰি আছে, সেই কৰ্মীসকলৰ মনত উৎসাহ, আৰু প্ৰেৰণাৰ জোৱাৰ তুলিবলৈ কেইগৰাকীমান সুদক্ষ কৰ্মী সেই অঞ্চললৈ পঠাবলৈকো সিদ্ধান্ত গ্ৰহণ কৰিলে। আৰু সিদ্ধান্ত হ'ল—

১। এই সংগ্ৰামী অৱস্থাৰ অৱসান নোহোৱালৈকে অবিৰাম আন্দোলন চলাই যাব লাগিব।

২। যি কোনো অৱস্থাতে পুলিচৰ হাতত কৰ্মীসকলে ধৰা নপৰাকৈ কাৰ্য্যসূচী মতে কাম কৰি যাব লাগিব।

৩। কোনো অৱস্থাতেই কৰ্মী সকলে গোপনীয়তা ভঙ্গ কৰিব নোৱাৰিব, ইয়াৰ ব্যতিক্ৰম হলে নিয়মভঙ্গ কৰা জনৰ ওপৰত বিহিত ব্যৱস্থা লোৱা হ'ব।

৪। সাম্প্ৰতিক কালছোৱাত জিলা অফিচ জামুগুৰিৰ পৰা পৰিচালিত হ'ব।

অতি সৌহাৰ্দ্য আৰু গভীৰ আলোচনাৰ মাজেদি ৰাতি চাৰি বজাত সভাৰ কাৰ্য্য সামৰণি পৰে। ইয়াৰ পিচত প্ৰাতঃ-কৃত স্বৰূপে চাহ একোটুপি ভোজন কৰি প্ৰভাত হোৱাৰ আগে আগে কৰ্মী সকলে হৃদয়ত অদম্য উৎসাহ বান্ধি লৈ কৰ্মক্ষেত্ৰলৈ গতি কৰিলে।

এই সন্মিলন কৃতকাৰ্য্যতাৰে সমাপন কৰিবৰ বাবে স্থানীয় কৰ্মী আৰু ভীৰ গাঁৱৰ ৰাইজে যি শুশ্ৰূষা কৰিলে, আন কোনো নৰমনিছে গাঁৱৰ ভিতৰলৈ প্ৰৱেশ কৰিব নোৱাৰাকৈ কাতি মহীয়া হেন গোটেই ৰাতিটো পহৰা দি ৰাখি আলোচনাৰ বাবে যি সুষ্ঠ পৰিবেশৰ সৃষ্টি কৰিলে, আৰু দেশ-প্ৰেমৰ চানেকি ডাঙি

ধৰিলে, সেয়ে তেখেতসকলক শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে সুঁৱৰিব লাগিব।

সন্মিলিত কৰ্মীসকলৰ অন্তৰখনি দেশ প্ৰেমেৰে বিধৌত হৈ বদন মণ্ডলত যেন একেটি ভাৱকেই প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা গৈছিল--

"পুৰোহিতো যদি থিতাতে আঁতৰি
ত্ৰাসতে মূৰ্চ্ছা যায়,
আমি আগে বাঢ়ি ডিঙি পাতি পাতি
তেজেৰে বলিশাল যামে বোলায়।"

সভাৰ সিদ্ধান্ত মতে জামুগুৰিত জিলা কাৰ্য্যালয় স্থাপিত হ'ল, সভাপতি গোস্বামীয়ে জামুগুৰিতে চোং পাতিলে, আৰু শ্ৰীমহেশ্বৰ বৰাই তেজপুৰলৈ গৈ সংগঠনৰ কাৰ্য্যত আত্মনিয়োগ কৰিলে। সভাপতিয়ে ন দুৱাৰৰ নিৰ্ভীক কৰ্মীসকলৰ ৯।১১।৪২ তাৰিখে কেৰেণি পামত এখন গোপন সভা পাতি তাত কৰ্মী সকলে দৃঢ়তাৰে কেনেভাৱে কাম কৰি যাব লাগিব, আৰু কাৰ দায়িত্ব কেনে হ'ব, সকলো দিশ পৰিষ্কাৰকৈ বুজাই নিজৰ নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনালে। এই কেৰেণি পামতেই ধ্বংসাত্মক কাৰ্য্য চলাব পৰাকৈ গোপন প্ৰশিক্ষণৰো ব্যৱস্থা কৰা হ'ল। নিজৰ নিজৰ তেজেৰে চহী কৰি গোপনীয়তাৰ প্ৰতিজ্ঞা ৰক্ষা কৰিব পৰা জনকহে এই মৃত্যু বাহিনীত প্ৰশিক্ষণ লবলৈ অধিকাৰ দিয়া হৈছিল।

চহী কৰিবলগীয়া প্ৰতিজ্ঞা--

১। পুলিচক কেতিয়াও ধৰা নিদিম।
২। নেতা সকলৰ হুকুম আখৰে অখাৰে পালন কৰি চলিম।
৩। দলৰ গোপনীয়তা প্ৰাণান্তেও ভঙ্গ নকৰিম।

এনে উদ্যোগৰ মাজতে নগাঁৱৰ উগ্ৰগন্ধা কৰ্মী শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী আৰু শ্ৰীতিলক চন্দ্ৰ হাজৰিকা আহি পাই কৰ্মী সকলক উদগনি যোগোৱাত কৰ্মী সকলৰ অন্তৰত দৃঢ় মনোভাৱ গঢ়ি উঠিল। ইহাতে আকৌ ৺হেমচন্দ্ৰ বৰুৱাদেৱৰ পৰামৰ্শ মতে তেতিয়াৰ প্ৰাদেশিক কংগ্ৰেছৰ সচিব শ্ৰীনাৰায়ণ চন্দ্ৰ ভূঞা গুৱাহাটীৰ পৰা আহি জামুগুৰি পাই কৰ্মীসকলৰ সৈতে আন্দোলনৰ বিভিন্ন দিশত আত্মনিয়োগ কৰিলেহি।

ইতিমধ্যে তেজপুৰতো সংগঠন গঢ়ি উঠিল। কেৰেণি পামৰ সভাৰ পিচতে সভাপতি তেজপুৰলৈ আহি নিজৰ ঘৰতে এখন গোপন কৰ্মী সভা পাতি তেজপুৰ ঢেকীয়াজুলি অঞ্চলত স্বতন্ত্ৰভাবে কাম কৰিব পৰাকৈ "তেজপুৰ জিলা জৰুৰী কংগ্ৰেছ, চাৰিদুৱাৰ শাখা" নামেৰে কমিটি এখন গঠন কৰিলে। শ্ৰীবিশ্বদেৱ শৰ্মা সভাপতি, শ্ৰীমহেশ্বৰ বৰা সম্পাদক আৰু শ্ৰীকৃষ্ণকান্ত ভূঞা কাৰ্য্যালয় সহায়ক নিযুক্ত হ'ল। সেই সভাতে সভাপতিয়ে ধ্বংসাত্মক কামৰ আঁচনি ডাঙি ধৰি প্ৰথম জিলা পৰ্য্যায়ৰ কামৰ কাৰণে এটা গোপন শিৱিৰ কৰিবলৈ ভাৰ দিয়াত সেইমতে বেছেৰীয়াত গোপন শিৱিৰ পতা হ'ল, আৰু বিভিন্ন ঠাইৰ ১৫০ জন কৰ্মীয়ে ইয়াত যোগদান কৰিলে। সভাপতি নিজে উপস্থিত থাকি দলবদ্ধভাৱে কাম কৰিবলৈ বিতং বিতংকৈ কাম ভগাই দিলে।

প্ৰথম পৰ্য্যায়ৰ আঁচনিত ধৰা হ'ল,—তেজপুৰ নগৰৰ ডাক বঙলা, চৰ ডেপুটী কলেক্‌টৰ অফিচ, বালিপাৰা পৰিদৰ্শন বঙলা, গাভৰু জিৰণি চ'ৰা, গাভৰু নৈৰ দলং আদিত অগ্নি সংযোগ কৰা; বিন্দুগুৰি, ঢেকীয়াজুলি আদিত ৰেলৰ লাইন বিকলাঙ্গ কৰা, আৰু টেলিফোন লাইন কাটি সংযোগ বিচ্ছিন্ন কৰা। যেনে হুকুম তেনে কাম। সকলো কৰ্মীয়ে আনন্দ মুখৰ হৈ ভোজ-ভাত খাই নিজ নিজ কৰ্ম থলীলৈ গতি কৰিলে

আৰু ৫ ডিচেম্বৰ তাৰিখে ৰাতি তেজপুৰ নগৰৰ চৰ ডেপুটি কলেক্টৰৰ কাৰ্য্যালয়, গাভৰু জিৰণি চ'ৰা আৰু বালিপাৰা পৰিদৰ্শন বঙলাত অগ্নি শিখা জ্বলি উঠিল---পুৰি চাই হৈ গ'ল। ইয়াৰ কেইদিন মানৰ পিচতে আকৌ বালিশিহা গাঁৱত সভাপতিয়ে নদুৱাৰ আৰু চাৰি দুৱাৰৰ কেইগৰাকীমান কৰ্মীৰে গোপন আলোচনা কৰি দ্বিতীয় পৰ্য্যায় হিচাবে মিছামাৰী বিমান ঘাটিত অগ্নি সংযোগ কৰাৰ থিৰাং হ'ল। সেইমতে পিচ দিনাই আনন্দ মনেৰে ভোজ-ভাত খাই দায়িত্বত থকা কৰ্মীসকল বিপদ সংকুলৰ মাজেদি আগবাঢ়িলে। ৰাতি ১০।১১ মান বজাত বিমান ঘাটিত নতুনকৈ সজা ৩৬০ টা মলং গিৰি হেন ঘৰত অগ্নি সংযোগ ঘটিল, আৰু বায়ু দেৱতাৰ অনুগ্ৰহত অলপো বিধি-পথালি নোহোৱাকৈ সোনকালে ভস্মীভূত হৈ গ'ল। এই অতি দুঃসাহসিক কাৰ্য্য কৰিবলৈ যাওঁতে কেনে দুৰ্গতি ভুগিব লগা হৈছিল, আৰু দুৰ্ঘটনাত পৰি যে আজিলৈকে কেগৰাকীমান ঘূণিয়া হৈ ৰ'ল, সেয়া আজি ভাবিলেও মনত ত্ৰাস আৰু শোক উথলি উঠে।

ন দুৱাৰ আৰু ছয় দুৱাৰ অঞ্চলতো নিপুণ কৰ্মীসকলে হৃদয়ত অসীম সাহস বান্ধি কাম কৰিবলৈ ধৰিলে। ধ্বংসাত্মক কাৰ্য্যৰ উপৰিও স্কুল-আদালতত পিকেটিং আৰু সত্যাগ্ৰহ কৰা, যুদ্ধ সৰবৰাহত বাধা দান কৰা আদি কাৰ্য্য অবিৰামভাবে চলিবলৈ ধৰিলে। সভাপতিয়ে জিলাৰ সকলো ঠাই ঘূৰি কৰ্মী সকলৰ সহযোগেৰে আন্দোলন তীব্ৰতৰ কৰি তুলিলে।

মৃত্যু বাহিনী সকলক তিনি ভাগত ভগোৱা হৈছিল--

১। শাৰীৰিক আৰু মানসিক হিচাবে যি মৃত্যু পথলৈকে আগ বাঢ়িবলৈ সক্ষম।

২। মানসিক প্ৰস্তুতি থাকিলেও শাৰীৰিকভাবে যি সক্ষম নহয়।

৩। একান্ত অনুৰাগী আৰু কাৰ্য্যনিৰ্বাহক।

এনেভাবে জিলাৰ ১২০ জন অতি নিষ্ঠাৱান কৰ্মীৰে মৃত্যু বাহিনী গঠিত হৈছিল। এইসকল কৰ্মীৰ উপৰিও প্ৰতি গাঁৱৰ ডেকা-বুঢ়াই আন্দোলনত যোগদান কৰি যি দেশ-প্ৰেমৰ চানেকি ডাঙি ধৰিলে, তাৰ বৰ্ণনাৰ উপায় নাই। কোনো কোনো চৰকাৰ প্ৰেমী লোকে পুলিচৰ সৈতে সতা মিতিৰ পাতি আন্দোলনত কৰ্মীৰ বিৰুদ্ধে সাক্ষী কোৱা, আৰু সঁচাই মিছাই পুলিচক ভাৰাৰি বোলাবলৈ কথা যোগোৱাৰো অভাব হোৱা নাছিল। পিচে, তেনে দেশপ্ৰেমী সকলক প্ৰকাশ্যে বাটত ধৰি তালৈকে একোপালি দিয়াত সেইসকল তিমানতে চেপেটা পৰিল।

সুদীৰ্ঘ দিন আন্দোলন চলাই যাওঁতে কৰ্মীসকলে কিমান নিৰ্য্যাতন ভুগিব লগা হৈছিল, পুলিচ-মিলিটাৰীৰ অত্যাচাৰত তুৎ নেপাই কিমান জনে হাবি জংঘলত আশ্ৰয় ল'ব লগা হ'ল, কোনো কোনো জনক পুলিচে ঘৰত বিচাৰি নেপাই ঘৰ-দুৱাৰ ভাঙি, সা-সম্পত্তি নষ্ট কৰি ঘৰত পোৱা মানুহকে খুন্দিকিলাই চিৰ জীৱনৰ বাবেই ঘুণিয়া কৰিলে, কোনো কোনো ঠাইত তিৰোতা মানুহৰ ওপৰতো অসৎ আচৰণ কৰা হ'ল; কিমানজনে জেলত পচিব লগা হ'ল, আৰু কিমান জনে তিল তিলকৈ প্ৰাণে মৰিলে, সেয়া ইতিহাসে সাক্ষী দিব। ইয়াৰোপৰি দৰং জিলাত দুই লাখৰো (চৰকাৰী হিচাপ মতেই) অধিক টকা পাইকাৰী জৰিমনা লগাই পৰিয়ালৰ পৰা জৰিমনাৰ টকা আদায় কৰিবলৈ পুলিচ মিলিটাৰীৰ দ্বাৰাই যি অত্যাচাৰ কৰা হৈছিল ইয়াৰ বৰ্ণনা দিবৰো উপায় নাই।

স্বৰ্গীয় ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা তেতিয়া শয্যাশায়ী হৈ গুৱাহাটীত। নৰীয়া পাতিৰ পৰাই আন্দোলনৰ সম্পূৰ্ণ গুৰি ধৰিছিল আৰু দাৰুৰ বাতৰি দাবে লৈছিল। তেজপুৰ আন্দোলনৰ সকলো খবৰ ৺জ্যোতিপ্ৰসাদ আগৰৱালা আৰু শ্ৰীবিশ্বদেৱ শৰ্মাই তেখেতক জনাই আছিল, আৰু তেখেতৰ পৰামৰ্শ আদিও

লৈ আহি কৰ্মী সকলক জানিবলৈ দিছিলহি। হাই কমাণ্ডৰ লগত সাক্ষাত হ'বলৈকো সেই পলাতক অৱস্থাৰে কেইবাৰাৰো কলিকতালৈ যাব লগা হৈছিল। পিচত ৺আগৰৱালা অসুস্থ হৈ গুৱাহাটীত পৰি থাকিবলগীয়া হ'ল, তেনে সময়তে শ্ৰীযুতা অৰুণা আশ্ৰফ আলি ছদ্মবেশেৰে অসমৰ আন্দোলনৰ বুজ লবলৈ বুলি গুৱাহাটী পালেহি। ৺হেমচন্দ্ৰ বৰুৱা আদিৰ লগত আন্দোলনৰ বিষয়ে আলোচনা হৈ ৺আগৰৱালাক বিশ্ৰাম আৰু চিকিৎসাৰ বাবে কলিকতালৈ লগত লৈ গ'ল। তেতিয়াৰে পৰাই শ্ৰীবিশ্বদেৱ শৰ্মাই অকল তেজপুৰৰে নহয়, অসমৰো খা-খবৰ লৈ অকলেই গুৱাহাটী আৰু কলিকতাৰ লগত যোগা-যোগ ৰক্ষা কৰি থাকিল।

এনেকৈ সুদীৰ্ঘকাল আন্দোলন চলাই থাকিব লগীয়া হোৱাত স্বাভাৱিকতে কৰ্মী সকল ভাগৰি পৰিছিল। সভাপতিয়ে কামৰ অলপ সকাহ পাই ১৯৪৪ চনৰ এপ্ৰিল মাহত এসপ্তাহৰ বাবে জামুগুৰিৰ অফিচ এৰি তেজপুৰলৈ আহিল। ইতিমধ্যে জামু-গুৰি অফিচৰপৰা কিবা জৰুৰী বাতৰি অহাত জাপি সজিয়াৰ ৺দেৱৰাম দাসৰ ঘৰত সেই বাতৰিৰ বুজ লৈ ঘৰলৈ ঘূৰি আহোঁতে তিনি আলিৰ কেকুৰিত চোৰাং বিভাগৰ বিষয়া শ্ৰীধীৰাজ মোহন দত্তই লগ পাই শ্ৰীগোস্বামীক গ্ৰেপ্তাৰ কৰি তেজপুৰলৈ লৈ গ'ল। ইয়াকে কয় বোলে—

"হস্তী গুচি মাখি ভৈলো গো খোজত পৰি ৰৈলোঁ
কচুত ভাঙ্গিলোঁ যেন কাচি॥"

জিলাৰ নেতৃস্থানীয় সকল আৰু কৰ্মীসকলে নানা নিৰ্য্যা-তনৰ মাজেদি কাৰাবাসৰ পৰা মুক্তি পাই অহাৰ পিচত ১৯৪৫ চনৰ মাজভাগত মাজগাওঁ শ্ৰীশ্ৰীশঙ্কৰদেৱ মন্দিৰত দুদিনীয়া

কাৰ্য্যসূচীৰে জিলা কংগ্ৰেছৰ এখনি বিশেষ অধিবেশন অনুষ্ঠিত হৈছিল। হাৱাজানৰ পৰা ওৰাঙলৈকে কংগ্ৰেছ কৰ্মীসকল আহি সভাত যোগদান কৰিছিল। বহু দিনৰ পিচত কৰ্মীসকল গোট হোৱাত সকলোৰে অন্তৰত বিমল আনন্দই দেখা দিছিল। অবিশ্ৰান্তভাৱে সংগ্ৰাম চলাই যাবলগীয়া হোৱা বাবে কৰ্মীসকল ভাগৰি যোৱা যেন দেখা গৈছিল যদিও অন্তৰৰ গভীৰতম প্ৰান্তৰলৈকে উথলি থকা দেশপ্ৰেমৰ অদম্য স্পৃহাই আগুৱাই যোৱাত সহায়ক হৈছিল। বিভিন্ন আলোচনাৰ মাজেদি জিলা কংগ্ৰেছৰ কৰ্মপদ্ধতি সু-পৰিকল্পনাৰে আগুৱাই নিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল। সভাৰ শেহত শ্ৰীমহেশ্বৰ বৰাই তেখেতৰ দায়িত্বত জিম্বা হৈ থকা জিলা কংগ্ৰেছৰ সকলো কাগজপত্ৰ জিলা সম্পাদকৰ হাতত অৰ্পণ কৰিলে। দুৰ্ভাগ্যৰ বিষয় যে, আজি সেই অতি মূল্যৱান নথি-পত্ৰ পাবলৈ নাই। সেয়েহে আজি তেজপুৰৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসৰ আঁত বিচাৰি চলাথ কৰাৰ বাহিৰে গত্যন্তৰ ক'ত ?

"কিল, লাঠি, গুলী, ফাঁচী
আমাৰ মনত ধূলা খেলা।
স্বৰাজ সাধন হেতু আমি
শেষ পেলাম মৰ্ত্যলীলা।"

০০০০

ছপা ঃ জনতা প্ৰেছ, তেজপুৰ ।